অধ্যায় ৯ ঃ বাণীকান্ত কাকতি ঃ 'কবিৰ অহৈতুকী প্ৰীতি'

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ বাণীকান্ত কাকতি ঃ জীৱন আৰু কৃতি
৯.৪ বাণীকান্ত কাকতিৰ সাহিত্য সমালোচনা
৯.৪.১ বাণীকান্ত কাকতিৰ সাহিত্য সমালোচনাৰ বৈশিষ্ট্য
৯.৫ সাহিত্য আৰু প্ৰেম
৯.৫.১ চণ্ডীদাস আৰু প্ৰেম
৯.৫.২ ডাণ্টে আৰু প্ৰেম
৯.৬ বাণীকান্ত কাকতিৰ গদ্যৰীতি
৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৮ অধিক জানিবলৈ
৯.৯ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৯.১০ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সাহিত্য সমালোচনা কি সেই সম্পৰ্কে অৱগত হ'ব
- বাণীকান্ত কাকতিৰ সাহিত্য-প্ৰতিভা আৰু তেওঁৰ সাহিত্য আলোচনাৰ প্ৰকৃতি বুজিব পাৰিব
- প্ৰেমে সাহিত্য সৃষ্টিত কিমান গভীৰ প্ৰভাৱ পেলাব পাৰে বা সাহিত্য আৰু প্ৰেমৰ সম্পৰ্ক কেনে সেয়া উপলব্ধি কৰিবলৈ সক্ষম হ'ব
- বৈষ্ণৱ কবি চণ্ডীদাসৰ কাব্য সৃষ্টিৰ আঁৰত থকা প্ৰেৰণা আৰু কাব্যত ইয়াৰ প্ৰভাৱ সম্পৰ্কে জানিব পাৰিব
- বিশ্ববিখ্যাত সাহিত্যিক ডাণ্টেৰ অমৰ সৃষ্টিত *ডিভাইন কমেডি* আৰু জীৱন সম্পৰ্কে অৱগত হ'ব
- বাণীকান্ত কাকতিৰ গদ্যৰীতিৰ স্বৰূপ বুজিব পাৰিব।

৯.২ পৰিচয়

'অসমীয়া গদ্য সাহিত্য' শীৰ্ষক পাঠ্যবিষয়ৰ এইটো ষষ্ঠ অধ্যায়। অধ্যায়টোৰ শীৰ্ষক 'বাণীকান্ত কাকতি ঃ কবিৰ অহৈতুকী প্ৰীতি'। ইয়াত অসমীয়া সাহিত্যৰ এগৰাকী কৃতি সমালোচক, বাণীকান্ত কাকতিৰ অন্যতম কৃতি *সাহিত্য আৰু প্ৰেম*ৰ অন্তৰ্গত 'কবিৰ অহৈতুকী প্ৰীতি'ৰ আলোচনা আগবঢ়োৱা হৈছে। অধ্যায়টোত পাঠটোৰ সৰস আলোচনাৰ লগতে সাহিত্য সমালোচক বাণীকান্ত কাকতিৰ গদ্যৰীতিৰ বিষয়েও পৰিচয় আগবঢ়োৱা হৈছে।

৯.৩ বাণীকান্ত কাকতি ঃ জীৱন আৰু কৃতি

অসমৰ সাহিত্যাকাশৰ এক উজ্বল নক্ষত্ৰ, পুৰণি অসমীয়া সাহিত্যৰ কৃতবিদ্য সমালোচক বাণীকান্ত কাকতিৰ জন্ম হয় বৰপেটাৰ বাটিকুৰিহা গাঁৱত। জন্ম কাল ১৮৯৪ চনৰ নৱেম্বৰ মাহৰ ১৫ তাৰিখ। তেওঁৰ পিতৃ ললিতৰাম কাকতি আৰু মাতৃ লাহোৱালা কাকতি। মাতৃ গৰ্ভত থাকোঁতেই পিতৃহাৰা হোৱা বাণীকান্তই বাটিকুৰিহা প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা লাভ কৰে। ল'ৰালি কালত তেওঁৰ ককায়েক পৰমানন্দ ওৰফে ৰাধা পণ্ডিতে তেওঁক যথেষ্ট অনুপ্ৰাণিত কৰিছিল। ফলত ল'ৰালিৰে পৰা বাণীকান্তই বিদ্যা শিক্ষা লাভৰ প্ৰতি উন্মুখ হয়। ১৯০৫ চনত তেওঁ বৰপেটা হাইস্কুলত নামভৰ্তি কৰে। ১৯১১ চনত তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত বৰপেটা হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষা দি অসম উপত্যকাৰ ভিতৰত প্ৰথম হৈ উত্তীৰ্ণ হয়। সেই পৰীক্ষাত তেওঁ ইংৰাজীত সৰ্বোচ্চ নম্বৰ লাভ কৰে। ইয়াৰ পিছত তেওঁ কটন কলেজৰ আই.এ. শ্ৰেণীত নামভৰ্তি কৰে। ১৯১৩ চনত তেওঁ কটন কলেজৰ পৰা কলিকতা বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম স্থান লাভ কৰি আই.এ. পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পাছত তেওঁ কলিকতা প্ৰেছিডেন্সী কলেজত বি.এ. শ্ৰেণীত নামভৰ্তি কৰে। ১৯১৫ চনত তেওঁ প্ৰেছিডেন্সী কলেজৰ পৰা প্ৰথম হৈ আৰু কলিকতা বিশ্ববিদ্যালয়ৰ ভিতৰত দ্বিতীয় শ্ৰেণীৰ অনাৰ্ছ লৈ বি.এ. পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯১৬ চনত বৰপেটাৰ চিৰস্তাদাৰ উমাকান্ত দাসৰ কন্যা কনকলতাৰ লগত তেওঁ বিবাহপাশত আবদ্ধ হয়। ১৯১৮ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজীৰ ক-শাখাত (সাহিত্য-শাখা) এম.এ. পৰীক্ষা দি দ্বিতীয় শ্ৰেণী লাভ কৰি উত্তীৰ্ণ হয়। একেটা বছৰৰ নৱেম্বৰ মাহৰ ১৬ তাৰিখে তেওঁ কটন কলেজত ইংৰাজী বিভাগৰ প্ৰবক্তা ৰূপে যোগদান কৰে। ১৯২৩ চনত বাণীকান্ত কাকতিয়ে একেখন বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজীৰ খ-শাখাত (ভাষা শাখা) পুনৰ এম.এ. পৰীক্ষা দি প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰে। উল্লেখযোগ্য যে কাকতিয়ে ক আৰু খ শাখাৰ ছাত্ৰসকলৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰাৰ বাবে 'ক্ষেত্ৰমোহন চেটাৰ্জী সোণৰ পদক' লাভ কৰে। বিখ্যাত ভাষাবিদ সুনীতি কুমাৰ চেটাৰ্জীৰ অধীনত Assamese, Its Formation and Development বিষয়ত গৱেষণা কৰি বাণীকান্ত কাকতিয়ে ১৯৩৫ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট উপাধি লাভ কৰে। ১৯৪৫ চনত তেওঁ কটন কলেজৰ ইংৰাজী বিভাগৰ জ্যেষ্ঠ প্ৰবক্তা নিয়োজিত হয়। ১৯৪৭ চনত তেওঁ কটন কলেজৰ অধ্যক্ষ ৰূপে নিযুক্ত হয়। ১৯৪৮ চনত তেওঁ গুৱাহাটী

বিশ্ববিদ্যালয়ৰ কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য নিযুক্ত হয়। সেই একে বছৰতে তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপক নিযুক্ত হয়। ১৯৪৯ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ কলাগুৰু নিৰ্বাচিত হয়। ১৯৫২ চনৰ ছেপ্টেম্বৰ মাহৰ ১৭ তাৰিখে তেওঁৰ পত্নী বিয়োগ ঘটে। সেই একেটা বছৰৰ নৱেম্বৰ মাহৰ ১৫ তাৰিখে গুৱাহাটীৰ ৰিহাবাৰীস্থিত নিজা বাসভৱনত এইগৰাকী কৃতবিদ্য পণ্ডিতৰ মৃত্যু ঘটে।

বাণীকান্ত কাকতিৰ ৰচনা কৃতিৰ এটা শকত অংশ *বাণীকান্ত ৰচনাৱলী*ত সন্নিৱিষ্ট হৈছে। ৰচনাৱলীখনৰ সম্পাদক মহেশ্বৰ নেওগ। তেওঁৰ প্ৰকাশিত কৃতিসমূহ হৈছে— আলোচনাধৰ্মী কৃতি ঃ *পুৰণি অসমীয়া সাহিত্য, কলিতা জাতিৰ ইতিবৃত্ত, সাহিত্য আৰু প্ৰেম, পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা* আৰু *বাণী প্ৰতিভা*। শিশু সাহিত্য ঃ *পখিলা* শীৰ্ষক গল্প সংকলন; ইংৰাজীত লিখা কৃতি ঃ *Life and Teachings of Sankardeva, Assamese, Its Formation & Development, The Mother Goddess Kamakhya and Vaishnavite Myths and Legends.*



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বাণীকান্ত কাকতিৰ জীৱন আৰু কৃতিৰ চমু লেখ আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত)



জানি থোৱা ভাল

'বাণীকান্ত কাকতিয়ে ১৯৩৫ চনত *Assamese, Its Formation and Development* নামৰ গৱেষণা গ্ৰন্থৰ বাবে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে। কিন্তু গ্ৰন্থখন ১৯৪১ চনতহে ছপা হৈ ওলায়। এই গ্ৰন্থই বহুত দিনৰ পৰা ভূত লগাৰ দৰে লাগি থকা অসমীয়া ভাষাৰ এটা অপবাদ গুচাই বৈজ্ঞানিকভাৱে সেই ভাষাৰ স্বতন্ত্ৰতা প্ৰতিষ্ঠা কৰে। এইটো কথা ঠিক যে এই অধ্যয়নত ডক্টৰ সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ *Origin and Development of the Bengali Language* গ্ৰন্থই আদৰ্শ যোগাইছিল। কিন্তু গুৱাহাটী দৰে জগতৰ আওহতীয়া ঠাইত এনে বৈজ্ঞানিক ভাষা-চৰ্চাৰ কাম কৰা যে কি দুৰূহ তাক বুজোঁতাইহে বুজে। পৰীক্ষক পেৰিছ বিশ্ববিদ্যালয়ৰ অধ্যাপক জুল ব্লখে এই দুঃসাধ্য সাধনৰ বিস্ময়-বিমিশ্ৰিত প্ৰশংসা কৰিছিল— "I suppose the writer lives in a place far from academical atmosphere. But I am really surprised to find such a writing coming from such quarter."

৯.৪ বাণীকান্ত কাকতিৰ সাহিত্য সমালোচনা

অসমীয়া গদ্যশৈলীৰ বিকাশৰ প্ৰধান মাধ্যম হ'ল প্ৰবন্ধ। *অৰুনোদই*ৰ সময়তে আৰম্ভ হোৱা আধুনিক অসমীয়া গদ্যই হেমচন্দ্ৰ বৰুৱা, লম্বোদৰ বৰা, সত্যনাথ বৰা আদি সচেতন গদ্য নিৰ্মাতাৰ হাতত অতি পৰিশীলিত আৰু সবল ৰূপ লাভ কৰে। পৰৱৰ্তী সময়ত *জোনাকী, বাঁহী, ঊষা, চেতনা* আদি আলোচনীসমূহে অসমীয়া গদ্যৰ ক্ৰমবিকাশমান ৰূপটোক সকলো ফালৰ পৰাই পৰিপুষ্টি সাধনেৰে উজ্বল কৰি তোলে। কলিকতাত পঢ়িবলৈ গৈ দেশাত্মবোধেৰে অনুপ্ৰাণিত হৈ যিসকল অসমীয়া ছাত্ৰই নিৰৱচ্ছিন্নভাৱে সাহিত্য চৰ্চাত ব্ৰতী হ'ল তেওঁলোকৰ কিছু প্ৰভাৱে চুই যোৱাত বাণীকান্ত কাকতিয়েও তেতিয়াই সাহিত্য চৰ্চা আৰম্ভ কৰিলে যদিও সেইসময়ত সি প্ৰৱল হৈ নুঠিল। নিজৰ মূল লক্ষ্যৰ পৰা আঁতৰি নগৈ তেতিয়া তেওঁ নিয়োজিত হ'ল জ্ঞান অন্বেষণত। পৰৱৰ্তী কালত লম্বোদৰ বৰা বা সত্যনাথ বৰাৰ পদাংক অনুসৰণ কৰি যিসকল সাহিত্যিকে সচেতনভাৱে গদ্য ৰচনাত প্ৰবৃত্ত হ'ল তেওঁলোকৰ ভিতৰত বাণীকান্ত কাকতি অন্যতম। তেওঁ মাত্ৰ ৫৮ বছৰহে জীৱন উপভোগ কৰিবলৈ পাইছিল যদিও সেই সময়ছোৱাৰ ভিতৰতে তেওঁ ভাৰতীয় সাহিত্যক সমৃদ্ধ কৰিব পৰা বহুকেইখন গ্ৰন্থ ৰচনা কৰি থৈ গ'ল। কাকতিৰ সকলোবোৰ ৰচনাই গভীৰ চিন্তা প্ৰসূত, প্ৰণালীবদ্ধ আৰু সংহত। বিষয়বস্তু সম্পৰ্কে লেখাবোৰত ইয়াৰ প্ৰকাশ সাৱলীল।

ইংৰাজী, গ্ৰীক, সংস্কৃত আদি সাহিত্যৰ গভীৰ অধ্যয়নেৰে পুষ্ট কাকতিৰ তীক্ষ্ণ মেধাবী চৰিত্ৰই তেওঁৰ ৰচনাৰ বিষয়বস্তুসমূহ ক'তো অপ্ৰয়োজনীয়ভাৱে জটিল কৰা দেখা নাযায়।

কাকতিৰ গৱেষণালব্ধ ৰচনাৰাজি তেওঁৰ ব্যাপক অধ্যয়নপুষ্ট মন, সামাজিক দায়বদ্ধতা, জাতীয় চৈতন্য, প্ৰতিভা আৰু পাণ্ডিত্যৰ পৰিচায়ক। নিজৰ জীৱনত ঈশ্বৰত বিশ্বাস ৰাখি এক সুন্দৰ জীৱনাদৰ্শৰে পৰিচালিত কাকতিয়ে ধৰ্মক সামাজিক সংস্কাৰৰ এক মাধ্যম বুলি ভাবিছিল। যুক্তিবাদী দৃষ্টিভঙ্গীৰে বিশ্লেষণ কৰিহে তেওঁ ধৰ্মীয় আদৰ্শ বা ৰীতি-নীতিবোৰ গ্ৰহণ কৰিছিল। এজন জাতীয় চেতনাৰে উদ্বুদ্ধ স্বদেশপ্ৰেমী ব্যক্তি হিচাপে কাকতিক অসমৰ সমাজ জীৱনৰ বিবিধ সমস্যাই চিন্তিত কৰিছিল। সেয়েহে অসমত শিক্ষাৰ প্ৰসাৰৰ বাবে, ঐক্য-সম্প্ৰীতি গঢ়ি তুলিবৰ বাবে আৰু সামাজিক অস্থিৰতা আতৰাবৰ বাবে নিজাকৈ তেওঁ উপায় আগবঢ়াইছিল তেওঁৰ প্ৰবন্ধৰ জৰিয়তে। ইয়াৰ সমানে সমানে আন ভাষাৰ আগ্ৰাসনৰ পৰা ৰক্ষা কৰি অসমীয়া ভাষাৰ স্বতন্ত্ৰতা প্ৰতিষ্ঠাৰ বাবে তেওঁ তথ্যসন্মতভাৱে যুক্তি দাঙি ধৰিছিল। অৰ্থাৎ একমাত্ৰ শিশু পুথি *পখিলা*ক বাদ দি কাকতিৰ বিচৰণ ক্ষেত্ৰ যদিও প্ৰধানকৈ কেৱল গহীন ৰচনাহে কিন্তু ইয়াৰ বিষয়বস্তুগত বৈচিত্ৰ্য যথেষ্ট। ধৰ্মৰ পৰা ভাষালৈকে, সাহিত্যৰ পৰা সমাজ সমালোচনালৈকে অনেক গুৰুত্বপূৰ্ণ বিষয় তেওঁৰ সাহিত্যৰ মাজত সন্নিৱিষ্ট হৈ আছে।

৯.৪.১ বাণীকান্ত কাকতিৰ সাহিত্য সমালোচনাৰ বৈশিষ্ট্য

কাকতিৰ সাহিত্য সমালোচনাৰ প্ৰধান গুণ হ'ল নিৰপেক্ষতা। ব্যক্তিগত ইচ্ছা-আবেগ আদিক ক'তোৱেই প্ৰশ্ৰয় নিদি তেওঁ সম্পূৰ্ণ যুক্তিসঙ্গত আৰু বস্তুনিষ্ঠ বিশ্লেষণ তথা সিদ্ধান্তৰে ৰচনাসমূহ লিখিছে। নৱবৈষ্ণৱ ধৰ্ম আৰু শঙ্কৰদেৱ-মাধৱদেৱৰ প্ৰতি তেওঁ ব্যক্তিগত জীৱনত যথেষ্ট অনুৰক্ত। কিন্তু তেওঁৰ এনে বিষয় সংক্ৰান্তীয় লেখাতো নিজৰ আকৰ্ষণে সত্য উদঘাটন আৰু উপস্থাপনৰ পৰা তেওঁক বিৰত কৰিব পৰা নাই।

কাকতিৰ সাহিত্য সমালোচনাৰ আন এক বৈশিষ্ট্য হ'ল বিষয়বস্তুৰ তুলনামূলক বিশ্লেষণ। অসমীয়া সাহিত্যৰ বিভিন্ন বিষয় সম্পৰ্কে আলোচনা কৰোঁতে বিভিন্ন তুলনাৰে কথাবোৰ দাঙি ধৰিছে। ভাৰতীয় সাহিত্য আৰু বিশ্বসাহিত্যৰ বিবিধ চৰিত্ৰ তথা বিষয়ৰ সৈতে অসমীয়া সাহিত্যৰ চৰিত্ৰ আৰু বিষয়ৰ তুলনাবোৰ কাকতিৰ সমালোচনাক সফল কৰাৰ লগতে তেওঁৰ প্ৰজ্ঞাবো পৰিচয় বহন কৰিছে।

কাকতিৰ সমালোচনাৰ অন্যতম প্ৰধান গুণ হ'ল যুক্তিপূৰ্ণ বিশ্লেষণ। সাহিত্যৰ কোনো কথা 'ভাল' বা 'বেয়া' বুলি কোৱাতেই সীমাবদ্ধ হৈ থাকিলে সি প্ৰকৃত সমালোচনা নহয়। কাকতিয়ে আন বিষয়ৰ সৈতে তুলনা কৰি সকলো কথাকে যুক্তিৰে প্ৰতিষ্ঠা কৰিছে; কেৱল উকা মন্তব্যৰে নহয়। কাকতিৰ বিজ্ঞানসন্মত মন আৰু দৃষ্টিয়ে তেওঁক এই ক্ষেত্ৰত বিশেষভাৱে প্ৰেৰণা যোগাইছে।

কাকতিৰ সমালোচনাবোৰ সুন্দভাৱে সুসংবদ্ধ। কেৱল নিজৰ মতৰ সৈতে মিলা কথাবোৰকে প্ৰকাশ নকৰি তেওঁ আলোচ্য বিষয় সংক্ৰান্তীয় বিভিন্ন দৃষ্টিভঙ্গীবোৰৰ উল্লেখৰ মাধ্যমেৰেহে নিজৰ মতামত প্ৰকাশ কৰিছে। সেয়েহে কাকতিৰ সমালোচনাই পাঠকক বিষয় সম্পৰ্কে স্পষ্ট ধাৰণা লাভ কৰাত সহায় কৰে।

কাকতিৰ সমালোচনাৰ অন্যতম বৈশিষ্ট্য হ'ল ৰস আৰু সৌন্দৰ্য। কাকতিৰ সাহিত্য সমালোচনাই পাঠকৰ মগজু আৰু চিন্তাৰ পৰিপুষ্টি সধাৰ সমানে মনক আশ্বাস দিব পাৰে। চিন্তাশীল ৰচনাবোৰতো সাহিত্য ৰস সৃষ্টিৰে উপভোগ্য ৰূপ দিব পৰাটো তেওঁৰ বিশেষ দক্ষতা।

সাহিত্য সমালোচনা মূলতঃ এটা বিচাৰ আৰু সাহিত্য সমালোচকজন হ'ল বিচাৰক। কাকতিয়ে এজন বিচাৰকৰ ভূমিকাত অৱতীৰ্ণ হৈ সকলোবোৰ ন্যায়সঙ্গত কথা দ্বিধাহীন স্পষ্ট ভাষাত প্ৰকাশ কৰিছে। ইতিবাচক আৰু গঠনমূলক দৃষ্টিভঙ্গীৰে আগবঢ়োৱা তেওঁৰ বিশ্লেষণৰ ক'তো ব্যক্তিগত বিদ্বেষ, ধ্বংসকামী চিন্তাৰ লেশমাত্ৰও নাই। প্ৰকৃতাৰ্থত বাণীকান্ত কাকতি হ'ল অসমীয়া সাহিত্যত প্ৰথম বিজ্ঞানসন্মত সাহিত্য সমালোচক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ বাণীকান্ত কাকতিৰ সাহিত্য সমালোচনাৰ বৈশিষ্ট্যসমূহ কি কি? (৭৫টা শব্দৰ ভিতৰত)

৯.৫ সাহিত্য আৰু প্ৰেম

সাহিত্য আৰু প্ৰেমৰ সম্পৰ্ক অতি নিবিড়। প্ৰেম কেৱল সাহিত্যৰ বিষয়বস্তুৱেই যে হ'ব পাৰে এনে নহয়, সাহিত্যৰ বাবে ই এক বৃহৎ প্ৰেৰণা হ'ব পাৰে, শক্তিও হ'ব পাৰে। আনহাতে, প্ৰেমৰ শক্তি কেৱল সাহিত্যৰ মাজতে সীমাবদ্ধও নহয়। ই মানুহৰ মনৰ অভ্যন্তৰত প্ৰৱেশ কৰি সমগ্ৰ মন আৰু ব্যক্তিত্বৰ ৰূপান্তৰ ঘটাবও পাৰে। প্ৰেমৰ এনে অসাধাৰণ ক্ষমতা কোনো আধুনিক কালৰ বস্তু নহয়। ভাৰতৰ প্ৰথম সাহিত্যি কৰ্ম ৰূপে স্বীকৃত বেদতেই এনে অসীম প্ৰেমশক্তিৰ নিদৰ্শন বিৰাজমান। বেদত ঋষিপুত্ৰসকলে প্ৰেমৰ তাড়ণাত ঋষিত্ব লাভৰ চেষ্টা চলোৱাৰ কথা পোৱা যায়। অৱশ্যে এই প্ৰেম বাহ্যিক দৃষ্টিয়ে আনি দিয়া তৃপ্তি বা মধুৰ যন্ত্ৰণা নহয়। স্থূল বৈষয়িক সীমা অতিক্ৰম কৰি মনক এক উচ্চ আবেগময় অৱস্থালৈ লৈ যাব পৰা এয়া এক আদৰ্শময় প্ৰেম। প্ৰেমৰ এনে আশ্চৰ্যকৰ শক্তি চিন্তাশীল পণ্ডিত বাণীকান্ত কাকতিৰ বাবেও আকৰ্ষণ আৰু আশ্চৰ্যৰ বিষয় আছিল। সেয়েহে তেওঁ অসমৰ সাহিত্য, সমাজ, ধৰ্ম, ভাষাৰ পৰা দৃষ্টি প্ৰসাৰিত কৰিছিল প্ৰেমলৈ। প্ৰেমৰ স্পৰ্শ থকা বেদ-পুৰাণৰ আখ্যান আৰু ইউৰোপীয় সাহিত্য তেওঁ গভীৰ অনুসন্ধিৎসাৰে লক্ষ্য কৰিছিল আৰু তাৰেই ফলশ্ৰুতিত সৃষ্টি হ'ল *সাহিত্য আৰু প্ৰেমৰ* প্ৰৱন্ধলানি। পৃথিৱীৰ অনেক ঋষি-মুনি, ডাঙৰ সাহিত্যিক পণ্ডিত আদিক প্ৰেমে উদ্বেলিত কৰাৰ উদাহৰণ আদিক অনেক পোৱা যায়। এই প্ৰেমে এওঁলোকৰ কাৰোবাক কেতিয়াবা বিমল আনন্দ আৰু সুখ দিছে আৰু কেতিয়াবা দিছে প্ৰচুৰ বেদনা। আনহাতে,এই বেদনাৰ প্ৰভাৱো আকৌ দুই ধৰণৰ। কাৰোবাৰ বাবে এয়া অসহ্যকৰ কষ্ট, নিৰাশা, অৱসাদ আৰু আন বহুতৰ বাবে এই বেদনা ৰূপান্তৰ হৈছে প্ৰেৰণালৈ। এই প্ৰেৰণাই যেতিয়া সৃষ্টিলৈ গতি কৰিছে তেতিয়াই ৰচনা হৈছে নিৰ্মল প্ৰেমৰ স্পৰ্শ থকা অমৰ সাহিত্য। বাণীকান্ত কাকতিৰ *সাহিত্য আৰু প্ৰেমৰ* বিষয়বস্তু হ'ল এনে কিছু ভাৰতীয় আৰু বিশ্বসাহিত্য য'ত প্ৰেমৰ বেদনাই অসাধাৰণ ৰূপত আত্মপ্ৰকাশ কৰি সৃষ্টিৰ ৰূপ লৈছে আৰু সাহিত্যিকজনক কৰি তুলিছে অমৰ আৰু ৰৰণীয়। সাধাৰণ প্ৰেমক অসাধাৰণ কৰি তুলিব পৰা এনে ব্যক্তিৰ সংখ্যা বিশ্ব ইতিহাসত অৱশ্যে অতি সৰহ নহয়। প্ৰেমৰ যন্ত্ৰণাক সৌন্দৰ্যময়ী, আনন্দদায়ী উদ্যমী শক্তি ৰূপে গ্ৰহণ কৰিব পৰাটো কাকতিৰ বাবেও আছিল আদৰ্শস্বৰূপ। *সাহিত্য আৰু প্ৰেমৰ* প্ৰৱন্ধসমূহৰ মাজত ঠায়ে ঠায়ে কাকতিৰ এনে আদৰ্শগত মনোভঙ্গীৰ প্ৰকাশ লক্ষ্য কৰা যায়। তেওঁৰ এই প্ৰৱন্ধসমূহৰ সম্পৰ্কে নিজৰ মন্তব্য এনে ধৰণৰ— "এই আখ্যানবোৰত কেতবোৰ বিশ্ববিখ্যাত মনীষীৰ প্ৰেমৰ স্পৰ্শত প্ৰাণৰ প্ৰতিক্ৰিয়া দেখুওৱা হৈছে। বেদৰ ঋষিপুত্ৰৰ প্ৰেমৰ প্ৰেৰণাত ঋষিত্ব লাভৰ প্ৰচেষ্টাৰ পৰা আমীয়েলৰ পৰিদৃশ্যমান

বিশ্বৰ লগত একাত্মবোধৰ আকাংক্ষা, সেই একে মিলন-স্পৃহাৰেই বিভিন্ন বিকাশ।" অর্থাৎ এক উচ্চ স্তৰীয় প্ৰেমে ঋষিপুত্ৰৰ জীৱন আৰু ব্যক্তিত্বৰ যিদৰে ৰূপান্তৰ ঘটালে সেইদৰে বিশ্বপ্ৰেমত বন্দী আমিয়েলৰ জীৱনকো অন্য ৰূপৰ কৰি তুলিলে। যাৰ ফলত সৃষ্টি হ'ল আমিয়েলৰ *অন্তঃপ্ৰাণৰ ডায়েৰি* বা *Journal in time* অথবা ডাণ্টেৰ *ডিভাইন কমেডি*। এই প্ৰসঙ্গত কাকতিৰ আন এটা মন্তব্যও গুৰুত্বপূৰ্ণ— "বিজ্ঞানৰ পণ্ডিতসকলে কয়, জুহালৰ এঙাৰ আৰু বহুমূলীয়া হীৰা হেনো ৰসায়নৰ বিশ্লেষণত একেই পদাৰ্থ। কেৱল তাপ আৰু হেঁচাৰ তাৰতম্য অনুসাৰে দুইৰো বাস্তৱ প্ৰকৃতি আৰু গুণৰ ভেদ ভাব ওপজে। প্ৰেমত পোৱণি শক্তিৰ প্ৰভাৱতো তেজ-মঙহৰ শৰীৰৰ মানুহৰ মনত বেলেগ বেলেগ প্ৰতিক্ৰিয়া ঘটে।" অর্থাৎ হীৰা আৰু এঙাৰ মূলতে একেই পদাৰ্থ আছিল। পাৰ্থক্য কেৱল তাত আৰোপ কৰা গুণৰ, যাৰ ফলত হীৰা হ'ল বহুমূল্যবান। কিন্তু এঙাৰ হ'ল চকুত নপৰা মূল্যহীন বস্তু। গতিকে প্ৰেমকো সঠিক গুণ আৰু প্ৰকৃতিৰে প্ৰভাৱান্বিত কৰিলে সি হীৰালৈ উন্নীত হয়। ইয়াৰ উদাহৰণ চণ্ডীদাস, ডাণ্টে, আবেলার্ড-হেলইছা, ইত্যাদি। অন্যথা স্থূল প্ৰেম আৰু জুহালৰ এঙাৰ একে শাৰীৰে বস্তু। *সাহিত্য আৰু প্ৰেমৰ* প্ৰৱন্ধৰাজিৰ পৰা বুজা যায় যে কাকতিৰ কাম্য প্ৰেম হ'ল আদৰ্শবাদী। অদম্য কামনা আৰু ইস্পিত প্ৰণয়িনীৰ মধুৰ মূৰ্তি ধ্যান কৰি থকাৰ পৰিৱৰ্তে প্ৰেম হ'ব লাগে সৰল, নিষ্পাপ, আলসুৱা অথচ সৃষ্টিশীল।

কাকতিৰ *সাহিত্য আৰু প্ৰেমৰ* প্ৰথম ৰচনা হ'ল 'নিশাদূত'। বৈদিক সাহিত্যৰ বৃহদেৱতা গ্ৰন্থৰ পৰা ৰচনাটি সংকলন কৰা হৈছে। ইয়াত ৰাজর্ষি দার্ভ্য ৰথৰীতিৰ কন্যা যশস্বিনী ৰাজকুমাৰীৰ প্ৰতি সৃষ্টি হোৱা পুৰোহিত অর্চনানসৰ পুত্ৰ শ্যাবাশ্বৰ সৰল, পৱিত্ৰ, কোমল প্ৰেমৰ বর্ণনা কৰা হৈছে। নিজৰ প্ৰেমৰ প্ৰেৰণাত ঋষিত্ব লাভ কৰিবলৈ সক্ষম হোৱা শ্যাবাশ্বৰ প্ৰেমে কাকতিৰ পৰা প্ৰশংসনীয় মন্তব্য লাভ কৰা দেখা গৈছে। মূল কাহিনীটোৰ লগত সংগতি ৰাখি আৰম্ভণিতে দূত কাব্য সম্পৰ্কে আৰু শেষৰ ফালে ঋষিত্ব পদৰ তাৎপর্যৰ বিষয়েও তেওঁ আলোচনা আগবঢ়াইছে।

সাহিত্য আৰু প্ৰেমৰ দ্বিতীয় প্ৰৱন্ধ 'ভাৱৰীয়াৰ বেশত প্ৰেমিক'। প্ৰথমটোৰ দৰেই এইটো প্ৰবন্ধও হৰিবংশৰ পৰা সঙ্কলন কৰা হৈছে। ইন্দ্ৰ আৰু কৃষ্ণই পৰামর্শ কৰি দেৱপুত্ৰ প্ৰদ্যুম্নৰ হতুৱাই বজ্ৰনাভ অসুৰক বধ কৰাৰ কাহিনীটো হৈছে ইয়াৰ বিষয়বস্তু। কিন্তু ব্ৰজনাভক বধ কৰিবলৈ চলনা কৰি প্ৰদ্যুম্ন আৰু শত্ৰু কন্যা প্ৰভাৱতীৰ মাজত যি প্ৰেম দেখুওৱা হৈছে সেই প্ৰেমৰ স্বৰূপ বিশ্লেষণহে কাকতিৰ প্ৰধান উদ্দেশ্য— অসুৰ-বধৰ কাহিনী ব্যাখ্যা তেওঁৰ মুখ্য উদ্দেশ্য নহয়। প্ৰণয়ীয়ে ভাৱৰীয়াৰ ছদ্মবেশেৰে হ'লেও নিজৰ প্ৰেম অর্জন কৰা কথাটোহে মূল কথা।

তৃতীয় প্ৰৱন্ধ 'নাৰী-হৃদয়'ৰ মূল বিষয় হ'ল নাৰী মনৰ অধ্যয়ন আৰু অন্বেষণ। তাকে কৰিবলৈ যাওঁতে মাধ্যম ৰূপে সহায় লৈছে আবেলার্ড আৰু হেলইছাৰ প্ৰেমকাহিনীৰ। অর্থাৎ হেলইছাৰ জীৱন কাহিনীৰ জৰিয়তে ইয়াত তেওঁ নাৰী মনৰ ৰহস্যময় চৰিত্ৰ বুজিবলৈ চেষ্টা চলাইছে আৰু ইয়াৰ যোগেদিয়ে প্ৰকাশিত হৈছে হেলইছাৰ 'পৃথিৱীৰ ধূলি' জিলিকি থকা প্ৰেমৰ স্বৰূপ।

চতুর্থ প্ৰৱন্ধ 'সৌন্দর্যৰ প্ৰতাৰণা'ত বর্ণিত হৈছে প্ৰেম আধাৰিত আন এক কাহিনী য'ত উন্মোচিত হৈছে প্ৰেমৰ এক ভিন্ন ৰূপ। এজন প্ৰতিভাৱান চিত্ৰকৰ এন্দ্ৰিয়াৰ কৰুণ জীৱন গাথাই

দেখুৱাই দিছে প্ৰেম গৈ নিচাত পৰিণত হ'লে জীৱনলৈ অহা দুৰ্ভাগ্য, দুৰ্যোগৰ স্পষ্ট কৰুণ চিত্ৰ। অৰ্থাৎ যদি ইন্দ্ৰিয় প্ৰেমে মানুহৰ পৰিচালিত কৰে তেন্তে তাৰ ফল যে সুখকৰ নহয় সেয়া দেখুওৱাতোৱেই হৈছে তেওঁৰ মুখ্য উদ্দেশ্য। আনকি এনে প্ৰেমৰ নিচাত পৰিলে মানুহ যে বেয়াকৈ প্ৰতাৰিত হ'ব পাৰে তাৰ উজ্বল নিদৰ্শন হ'ল এন্দ্ৰিয়া।

সাহিত্য আৰু প্ৰেম ৰ পঞ্চম প্ৰবন্ধ হ'ল 'কবিৰ অহৈতুকী প্ৰীতি'। প্ৰবন্ধটোত কাকতিয়ে ইউৰোপ আৰু ভাৰতৰ দুজন প্ৰেমৰ কবিক একেলগ কৰি দেখুৱাইছে। চণ্ডীদাসৰ ৰামী ধুবুনীৰ প্ৰতি প্ৰেম আৰু ডাণ্টেৰ বিয়োট্ৰিছৰ প্ৰতি প্ৰেম একেশাৰীৰ নিষ্কাম বস্তু। ই দুয়োজনৰ বাবে সৃষ্টিৰো প্ৰেৰণা। অৰ্থাৎ প্ৰেম সাহিত্যৰ প্ৰেৰণা হোৱাৰ নিদৰ্শন হ'ল চণ্ডীদাসৰ কাব্য আৰু ডাণ্টেৰ *ডিভাইন কমেডি*। শাৰীৰিক আৰু ঐহিক বাসনাৰ প্ৰৱলতাতকৈ আধ্যাত্মিক প্ৰেমৰ মাধুৰ্য, শ্ৰেষ্ঠত্ব আৰু আদৰ প্ৰবন্ধটোত ব্যাখ্যা কৰা হৈছে। চণ্ডীদাস-ৰামী আৰু ডাণ্টে-বিয়োট্ৰিছৰ গভীৰ প্ৰেমৰ মাহাত্ম্য ব্যাখ্যা কৰি অৱশেষত কাকতিয়ে অনুভৱ কৰিছে আৰু সিদ্ধান্তলৈ আহিছে যে 'কবিৰ মনত প্ৰেম আৰু বিশ্বশক্তি অভিন্ন পদাৰ্থ।' সাহিত্য সমালোচক মহেশ্বৰ নেওগৰ মতে এয়াই হ'ল ৰহস্যবাদ। তেজ মঙহৰ স্থুল প্ৰেমৰ পৰা কাকতিয়ে বাৰে বাৰে অতীন্দ্ৰিয়, অহৈতুক নিষ্কাম প্ৰীতিৰ ধাৰণা আৰু তাৰ সাহিত্যিক অভিব্যক্তিলৈ ঘূৰি ঘূৰি আহিছে। ইয়াত কেৱল প্ৰেমিক হৃদয়ৰ আকুলতাৰ কথা নাই, আছে একোজন বিদগ্ধ পণ্ডিতৰ প্ৰতিভা আৰু দক্ষতাৰো কথা। অসমীয়া সাহিত্যত আন কোনো লেখকে প্ৰাচ্য আৰু পাশ্চাত্যৰ এই দুজন প্ৰতিভাধৰ ব্যক্তি চণ্ডীদাস আৰু ডাণ্টেৰ প্ৰেমানুভূতিৰ প্ৰসঙ্গ একেশাৰীতে ৰাখি গভীৰ চিন্তা আৰু অনুভূতিশীল মনেৰে আলোচনা কৰাৰ উদাহৰণ পোৱা নাযায়। নিষ্কাম প্ৰেমক আদৰ্শপূৰ্ণ 'উচ্চ সংস্কৃতি' ৰূপে গ্ৰহণ কৰা বাবেই কাকতিৰ চিন্তাই এনে বিশ্লেষণ আগবঢ়াবলৈ সমৰ্থ হৈছে। এই পাঠটি আমাৰ পাঠ্যবিষয়ৰ অন্তৰ্ভুক্ত। ইয়াৰ পৰৱৰ্তী উপশাখাত সন্নিবিষ্ট হোৱা বিষয়বস্তু সম্পৰ্কে বহলাই আলোচনা কৰা হ'ব।

*সাহিত্য আৰু প্ৰেম*ৰ শেষ প্ৰবন্ধ 'পণ্ডিতৰ ভূমাস্পৃহা' বিৰাটৰ লগত ঐক্য স্থাপনৰ সপোন খেদি ফুৰা আমিয়েল নামৰ এজন মনীষীৰ কৰুণ জীৱনকথা। অসীম আৰু অনন্ত ভাৱময় জগতত বিচৰণ কৰি মুক্তি আৰু সুখ অনুভৱ কৰা আমিয়েলে অন্তৰৰ কথাবোৰ লিপিবদ্ধ কৰিছিল তেওঁৰ ডায়েৰিত। তেওঁৰ আন্তঃপ্ৰাণৰ ডায়েৰিৰ কেইটামান ছেদৰ অনুবাদ দাঙি ধৰি কাকতিয়ে প্ৰচুৰ প্ৰতিভাশালী অসাধাৰণ ব্যক্তিজনৰ ভূমা বা অসীমৰ প্ৰতি অহৰহ ধাৱমান হোৱা মনৰ স্বৰূপ উন্মোচন কৰি দেখুৱাইছে। লগতে ইউৰোপৰ বাবে চিন্তাৰ বিকাৰসদৃশ হৈ পৰা এনে অনুভূতি যে ভাৰতত ঋক্বেদৰ দিনৰপৰাই প্ৰকাশ হৈ আহিছে সেয়াও তেওঁ প্ৰতিপন্ন কৰিছে।

ভাৰতীয় আৰু ইউৰোপীয় সাহিত্যৰ কেইবাজনো বিখ্যাত মনীষীৰ কাহিনীক আহিলা হিচাপে লৈ প্ৰেমৰ উৎস, স্বৰূপ, ক্ৰিয়া-প্ৰতিক্ৰিয়া আদিৰ ব্যাখ্যা কৰা কাকতিৰ এই প্ৰবন্ধৰাজি *আৰাহন, জয়ন্তী* আদি কাকতত প্ৰথমে প্ৰকাশিত হৈছিল। পৰৱৰ্তী সময়ত বিৰিঞ্চি কুমাৰ বৰুৱাৰ প্ৰচেষ্টাত *সাহিত্য আৰু প্ৰেম* নামেৰে এইসমূহক গ্ৰন্থৰূপ দিয়া হ'ল। সাহিত্যৰ জন্মলগ্নৰে পৰা প্ৰেমক সুকীয়া দৃষ্টিভঙ্গীৰে, সুকীয়া গুৰুত্বৰে অধ্যয়ন আৰু বিশ্লেষণ কৰা গ্ৰন্থখনৰ প্ৰবন্ধৰাজিয়ে অসমীয়া সাহিত্যত নতুন ধাৰাৰ, নতুন চিন্তাৰ বাট মুকলি কৰিলে। অৱশ্যে এই ৰচনাসমূহক

একে আষাৰে বিশুদ্ধ সাহিত্য-সমালোচনা আখ্যা দিব নোৱাৰি, কাৰণ সমালোচনাৰ বৈশিষ্ট্য ৰক্ষা কৰি ইয়াত নিৰ্দিষ্ট ৰচনাসমূহৰ বিশ্লেষণ আৰু মূল্যায়ন হোৱা নাই। মননশীল দৃষ্টিভঙ্গীৰে ইয়াত তেওঁ মানৱীয় প্ৰেম, আবেগ-আহ্লাদ, কল্পনা-অনুভৱ আদিৰ প্ৰকাশ আলোচ্য ৰচনাৰাজিত কিদৰে হৈছে বা সেই সাহিত্যসমূহত এই মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়াসমূহে কিদৰে প্ৰভাৱ পেলাইছে তাৰহে আলোচনা আগবঢ়াইছে। ৰীতিগতভাৱে পূৰ্ণাঙ্গ সমালোচনা নহ'লেও ইয়াত কাকতিৰ সমালোচনাত্মক দৃষ্টিভঙ্গীৰে যে প্ৰকাশ ঘটিছে সেয়া নিশ্চিত। এইসমূহে এফালে পাঠকৰ মনত নতুন চিন্তাৰ উন্মেষ ঘটাইছে, আনফালে ৰসপূৰ্ণ গল্প-উপন্যাসৰ দৰে সাহিত্যৰস আৰু সোৱাদ দিবলৈ সক্ষম হৈছে।

৯.৫.১ চণ্ডীদাস আৰু প্ৰেম

বঙলা ভাষাত বৈষ্ণৱ গীত-পদ ৰচনা কৰা চণ্ডীদাস আছিল মূলতঃ ৰাধা-কৃষ্ণৰ প্ৰেমগীতৰ কবি। প্ৰখ্যাত ভাৰতীয় সাহিত্যিক সুকুমাৰ সেনৰ মতে বাংলা ভাষাত ৰচিত এনে বৈষ্ণৱ গীতসমূহৰ ভিতৰত চণ্ডীদাসে ৰচনা কৰা গীত আৰু কবিতাসমূহেই আটাইতকৈ শ্ৰুতিমধুৰ। প্ৰধানকৈ অনুৰাগ, কৃষ্ণ প্ৰেমত প্ৰেমিকা ৰাধা-কৃষ্ণৰ প্ৰতি মানুহৰ অনুৰাগ, কৃষ্ণ প্ৰেমত উন্মত্ত ৰাধাৰ অৱস্থা আদিক লৈয়েই গীত-কবিতা ৰচনা কৰা চণ্ডীদাস কিন্তু ব্যক্তিগতভাৱে বিশুদ্ধ প্ৰেমৰ উপলব্ধিৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। নিজৰ অভিজ্ঞতাৰে তেওঁ ৰাধা-কৃষ্ণৰ গভীৰ আবেগ ভৰা প্ৰেম অনুভৱ কৰিছিল আৰু সেয়েহে ৰচনাৰ সহায়েৰে সেই প্ৰেমকেই ব্যক্ত কৰে বুলি ভক্তসকলে বিশ্বাস কৰে। তেওঁৰ নিজৰ আদৰ্শ মতে প্ৰেম আৰু উপভোগ দুটা স্বতন্ত্ৰ বিষয়। সেয়েহে তেওঁ কৈছে—

ৰজনী দিবসে হ'ব পৰবেশে
স্বপনে ৰাখিব লেহা
একত্ৰ থাকিব নাহি পৰশিব
ভাবিনী ভাবেৰ দেহা।

অৰ্থাৎ তেওঁৰ মতে এই প্ৰেম দৰ্শন বা স্পৰ্শৰ বস্তু নহয়। ই সপোনৰ ধন, কাব্য জগতৰ বিষয়। বৈষয়িক ঐহ্যিক জগতৰ লগত ইয়াৰ সম্পৰ্ক নাই। নিজৰ মনৰ মাজত ধাৰণ কৰা প্ৰেমৰ এই আদৰ্শকে গীত-পদত তেওঁ ৰাধা কৃষ্ণৰ প্ৰেমৰ যোগেদি প্ৰকাশ কৰিছে। চণ্ডীদাসৰ গীতবোৰত এটা মাত্ৰ স্ত্ৰী চৰিত্ৰৰ উল্লেখ পোৱা যায়। নাৰীগৰাকীৰ নামটো ঠায়ে ঠায়ে সলনি হৈছে। মূলতঃ তেওঁ জাতিত ধুবুনী আছিল। কেতিয়াবা বাশুলী বা বাসুলী, কেতিয়াবা ৰজকিনী ৰূপে তেওঁ চণ্ডীদাসৰ ৰচনাত ঠাই পাইছে। কিন্তু যি নামেৰেই আত্মপ্ৰকাশ নকৰিলেও তেওঁৰ প্ৰতি চণ্ডীদাসে মনত প্ৰেমৰ এক নিৰ্মল আদৰ্শ গ্ৰহণ কৰিছিল সেয়া নিশ্চিত। সেয়েহে প্ৰেমিকাৰ ৰূপৰ সম্বন্ধত তেওঁ ক'ব পাৰিছে "কামগন্ধ নাহি তায়" বুলি। অৰ্থাৎ যি প্ৰেমিকাক নেদেখিলে কবিৰ হৃদয়ত ধৰফৰণি

উঠে, মন অশান্ত হয় সেই প্ৰেমিকা কবিৰ কাৰণে সৰ্বস্ব। কবিৰ প্ৰাণশক্তি কবিৰ প্ৰেমিকা। কবিৰ মনত তেওঁৰ স্থান অসাধাৰণভাৱে উচ্চ। সকলো প্ৰকাৰৰ দুৰ্গতিৰ পৰা পৰিত্ৰাণ পাব পৰা গায়ত্ৰী মন্ত্ৰৰ অধিষ্ঠাত্ৰী সৰ্বশ্ৰেষ্ঠা উপাস্য দেৱী গায়ত্ৰীৰ সমগোত্ৰীয় হ'ল কবিৰ প্ৰেমিকা। অৰ্থাৎ ব্ৰাহ্মণসকলে বেদমাতা হিচাপে স্বীকাৰ কৰা গায়ত্ৰী কবিৰ বাবে ৰামী বা ৰজকিনী। এয়া তেওঁৰ দৃষ্টিভঙ্গী, মনোভঙ্গী। কেৱল ইমানেই নহয়। ৰজকিনী কবিৰ বাবে পিতৃ-মাতৃ, পৃথিৱী, শক্তি আৰাধ্যা দেৱী আদি সকলো। ৰজকিনীৰ প্ৰতি কবি চণ্ডীদাসৰ প্ৰেম কিমান ব্যাপক কিমান গভীৰ বা তেওঁৰ জীৱনৰ বাবে ৰজকিনী কি অমূল্য ধন সেয়া তেওঁৰ বৰ্ণনাসমূহেই প্ৰমাণ কৰে। কিন্তু ইমান সীমাহীন প্ৰেমত আকণ্ঠ ডুবি থাকিলেও ইয়াৰ মাজত হতাশা নাই, স্বাৰ্থ নাই, কোনো বৈষয়িক কামনা বা আকাংক্ষাও নাই। এই প্ৰেমে চণ্ডীদাসৰ কবিত্বৰ আঁৰে আঁৰে থাকি প্ৰেৰণাদায়ী প্ৰচণ্ড শক্তি ৰূপে কাম কৰিলে যাৰ ফলত সৃষ্টি হ'ল মধুৰ ৰসাত্মক অজস্ৰ মনোমোহা গীত-পদ। এয়াহে সমলোচনাক বাণীকান্তৰ আচল ক'ব লগা কথা। অৰ্থাৎ 'নিশাদূত'ৰ শ্যাবাশ্বৰ ৰাজকন্যাৰ প্ৰতি প্ৰেমক 'পুৱাৰ নিয়ৰত তিতি থকা বগা শেৱালী ফুল এপাহি' বুলি অভিহিত কৰি প্ৰেমৰ পৱিত্ৰতাৰ মাহাত্ম্য ঘোষণা কৰা কাকতিয়ে চণ্ডীদাসৰ ৰজকিনীৰ প্ৰতি প্ৰেমকো একেই প্ৰশংসনীয় দৃষ্টিৰে চাইছে। সেয়েহে তেওঁ এই প্ৰেমৰ একেশাৰীতে থিয় কৰাইছে ডাণ্টেৰ প্ৰেমকো। এই প্ৰেম আৰু বিশ্বশক্তি অভিন্ন। ইয়াৰ শক্তি ও অসীম। ই সাধাৰণ মানুহৰ লালসা পূৰণৰ মাধ্যম মাত্ৰ নহয়।

৯.৫.২ ডাণ্টে আৰু প্ৰেম

ইটালী দেশৰ কবি ডাণ্টেই প্ৰেমৰ অপূৰ্ব অভিজ্ঞতা পোন প্ৰথমবাৰৰ বাবে লাভ কৰিছিল ন বছৰ বয়সতে। এখন ভোজমেলত দূৰৰ পৰা মাত্ৰ তেওঁ এজনী ছোৱালী দেখা পাইছিল। কিন্তু ন বছৰীয়া এজন কিশোৰৰ এই অভিজ্ঞতা তেওঁৰ জীৱনৰ বাবে হৈ পৰিল জীৱনজোৰা এক মাদকতা, এক মধুৰ স্মৃতি। এই দৰ্শনত তেওঁ প্ৰণয়ী গৰাকীৰ সৈতে সাধাৰণ কথা-বতৰাও পতা নাছিল। কিন্তু এটা মাত্ৰ দৰ্শনৰ অনুভৱে তেওঁৰ মন সম্পূৰ্ণকৈ আচ্ছন্ন কৰি পেলালে আৰু তেওঁ উপলব্ধি কৰিলে যে এক মুহূৰ্তৰ বাবে দেখাৰ সৌভাগ্য হোৱা সেই ছোৱালীজনীয়ে তেওঁৰ বাবে হৈ ৰ'ব প্ৰেম আৰু শক্তি প্ৰতিমূৰ্তি। ইয়াৰ পিছত সময় বাগৰিব। ন বছৰ পিছত ডাণ্টেই তেওঁৰ প্ৰেমৰ অধিষ্ঠাত্ৰী বিয়েট্ৰীছক ৰাস্তাত এবাৰ দেখা পালে। সৌজন্যমূলক এক নমস্কাৰৰ বাহিৰে তেওঁলোকৰ মাজত এইবাৰো কোনো কথা-বার্তা নহ'ল। ডাণ্টে আৰু বিয়েট্ৰীছৰ মাজত এই দুবাৰেই মাত্ৰ দেখাদেখি। প্ৰণয়সূচক আলাপ, দৃষ্টি, সম্বন্ধ আদি তেওঁলোকৰ মাজত কেতিয়াও কোনো মুহূৰ্ততে হোৱা নাই। অথচ ডাণ্টে সেই বিয়েট্ৰিছৰ প্ৰেমত গভীৰভাৱে বন্দী। বিয়েট্ৰীছৰ বেলেগ পুৰুষৰ লগত বিয়া হৈ গ'ল। কিন্তু ডাণ্টেৰ প্ৰেমৰ তীব্ৰতা নকমিল। দুবাৰ মাত্ৰ দেখাৰ সৌভাগ্য হোৱা ছোৱালীজনীৰ প্ৰতি ডাণ্টে ইমানেই সহমৰ্মী আছিল

বা তেওঁৰ সৈতে ইমানেই একাত্ম অনুভৱ কৰিছিল যে বিয়েট্ৰীছৰ পিতাক ঢুকোৱাৰ খবৰ শুনি ডাণ্টেৰ নৰিয়াত পৰিবলগীয়া অৱস্থা হ'ল। অথচ বিয়েট্ৰীছৰ পিতাকতো বাদেই বিয়েট্ৰীছৰ লগতেই তেওঁ কোনো প্ৰত্যক্ষ সম্বন্ধ নাই। বিয়েট্ৰীছৰ মৃত্যু সংবাদে ডাণ্টেক মৰ্মাহত কৰিছে, কিন্তু তেওঁৰ প্ৰেম সামান্যভাৱেও টুটাব পৰা নাই। বিয়েট্ৰীছৰ মৃত্যুৰ পিছত আন এজনী ছোৱালীক এবাৰৰ বাবে বিয়েট্ৰীছৰ দৰে ৰূপহী আৰু শান্ত বুলি তেওঁৰ ক্ষণিকলৈ অনুভৱ হৈছে। কিন্তু লগে লগে সেয়া তেওঁ পাপ বুলি অনুভৱ কৰিছে। অথচ বিয়েট্ৰীছ সেই সময়ত ইহ জগতত নাই। বিয়েট্ৰীছৰ প্ৰতি ডাণ্টেৰ প্ৰেম একান্তভাৱে তেওঁৰ নিৰ্জন মনৰ অনুভৱ আৰু হাবিয়াস। সেয়েহে তেওঁ বন্ধুসকলকো ইয়াৰ কথা জনোৱা নাছিল বা বিয়েট্ৰীছক নিজৰ কৰি পাবলৈ তেওঁ কোনো চেষ্টাও চলোৱা নাছিল। যি প্ৰেমে তেওঁক অহৰ্নিশে উদ্বাউল কৰি ৰাখিছিল, মন-প্ৰাণ গ্ৰাস কৰি পেলাইছিল তাক লৈ ডাণ্টেৰ কোনো পাৰ্থিৱ আশা বা কামনা নাছিল। ঐহ্যিক বাসনাৰ সামান্য প্ৰভাৱো ডাণ্টেৰ প্ৰেমত নাই। সেয়েহে বিবাহ, মৃত্যু আদি বাস্তৱ জগতৰ ঘটনাবোৰে তেওঁৰ প্ৰেমক আঘাত কৰিব পৰা নাই। ৰৱঞ্চ ৪৭ বছৰ জীয়াই থকা ডাণ্টেইক ন বছৰৰ পৰা ধৰি গোটেই জীৱনকাল বিয়েট্ৰীছৰ প্ৰেমে জীৱনীশক্তি দিলে, প্ৰেৰণা দিলে। বিয়েট্ৰীছক নোপোৱাৰ দুখত তেওঁ গুৰুত্ব দিয়া নাই— তেওঁৰ গুৰুত্ব বিয়েট্ৰীছৰ প্ৰতি থকা প্ৰেমত।

দুবাৰ মাত্ৰ সামান্যভাৱে দেখিবলৈ পোৱা বিয়েট্ৰীছৰ প্ৰেমে ডাণ্টেৰ সমগ্ৰ সত্তা আৱৰি পেলালে যদিও তেওঁৰ এই অনুভৱ কেৱল বাস্তৱবিমুখ ভাবালু ডেকাৰ মানসিক উত্তেজনা নহয়, কাৰণ প্ৰেমত ঘূৰ্ণীয়মান এই অশান্ত অৱস্থাৰ সমান্তৰালভাৱে তেওঁ ৰাজনৈতিক আন্দোলন আদিতো সক্ৰিয়ভাৱে অংশ লৈছিল আৰু গভীৰ অধ্যয়নো কৰিছিল। অৰ্থাৎ ডাণ্টেৰ সীমাহীন প্ৰেমে তেওঁৰ ব্যক্তিত্বক নি ক'ৰবাত জাজীৰ দৰে দলিয়াই পেলাবলৈ সক্ষম হোৱা নাছিল। তেওঁৰ তীব্ৰ প্ৰেম তেওঁৰ বাবে প্ৰেৰণা হ'ল, সৃজনী শক্তি হ'ল, যাৰ পৰিণতিত বিশ্ব সাহিত্যত সংযোগ হ'ল অমৰ মহাকাব্য *ডিভাইন কমেডি*। অৰ্থাৎ প্ৰেমিক হৃদয়ৰ সুতীব্ৰ অনুভৱ আৰু নিৰ্মল উপলব্ধিয়ে জন্ম দিলে অসাধাৰণ গ্ৰন্থৰ। তাতেই কবিয়ে নিজৰ প্ৰেম সম্পৰ্কে যি আশাৰ কথা কৈছে সিয়েই তেওঁৰ প্ৰেমৰ স্বৰূপ আৰু গভীৰতা বুজাবলৈ যথেষ্ট— "যি প্ৰেমৰ তাড়নাত সূৰ্য আৰু নক্ষত্ৰাৱলীয়ে ঘূৰিব লাগিছে, সেই প্ৰেমেই গাড়ীৰ চকৰিৰ দৰে মোৰ ইচ্ছা আৰু বাসনাক নিয়ন্ত্ৰিত কৰিছে।" অৰ্থাৎ নক্ষত্ৰমণ্ডলীৰ যি দৈনিক আৱৰ্তন আৰু জ্যোতি তাত কোনো প্ৰাপ্তি-অপ্ৰাপ্তিৰ কথা নাই, ঠিক সেইদৰে প্ৰেমিক ডাণ্টেৰ ক্ষেত্ৰটো একেটা কথাই খাটে। তেওঁৰ প্ৰেমে একো বিনিময় আশা কৰা নাই। নিৰ্মল প্ৰেমতেই তেওঁৰ সুখ আৰু এই সুখ বা আহ্লাদেই তেওঁৰ কাব্যৰ মূল আধাৰ আৰু শক্তি। সেয়েহে সূক্ষ্ম চিন্তাশীল সমালোচক বাণীকান্ত কাকতিয়ে ডাণ্টেৰ এই প্ৰেমক পূৰ্বে উল্লিখিত চণ্ডীদাসৰ প্ৰেমৰ সৈতে তুলনা কৰিছে। দুয়োটাতেই দেখা গৈছে প্ৰেম গৈ অদম্য ভঙ্গিত পৰিণত হোৱাৰ

এক উজ্বল ছবি। সেইবাবেই কাকতিও সিদ্ধান্তলৈ আহিছে যে কবিৰ মনত প্ৰেম আৰু বিশ্বশক্তি অভিন্ন পদাৰ্থ, কাৰণ ডাণ্টে বা চণ্ডীদাসৰ প্ৰেম সীমাবদ্ধ কামনাৰে নিৰ্ণিত অনুভৱ নহয়। বৰঞ্চ ই এক নান্দনিক আৰু স্থায়ী মোহনীয় অনুভূতিহে। অসীমৰ প্ৰতি ধাৱমান হোৱাৰ হেঁপাহ এটায়ো যেন ইয়াৰ মাজত ক্ৰিয়া কৰিছে। সেয়েহে এই প্ৰেমৰ স্বৰূপ নিৰ্মল, সীমাহীন আৰু সৃষ্টিশীল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ডাণ্টেৰ প্ৰেম কেনেকুৱা আছিল? (৭৫টা শব্দৰ ভিতৰত)

৯.৬ বাণীকান্ত কাকতিৰ গদ্যৰীতি

অসমৰ পৰম্পৰাগত ঐতিহ্যবোধ, আধুনিক চিন্তা, প্ৰাচ্য আৰু পাশ্চাত্যৰ বিভিন্ন সাহিত্যৰ অধ্যয়নলব্ধ জ্ঞানৰ সুসমন্বয়ত ৰচিত বাণীকান্ত কাকতিৰ সাহিত্যৰাজিৰ জৰিয়তে এক নিজস্ব সাহিত্যিক গদ্যৰীতি গঢ় লৈ উঠা পৰিলক্ষিত হয়। কাকতিৰ ৰচনাৰ বিষয়বস্তু আৰু ৰচনাৰীতি দুয়োটা দিশৰ জৰিয়তেই তেওঁৰ সংহত মন আৰু সংযমী ব্যক্তিত্বৰ পৰিচয় ফুটি উঠিছে। সুন্দৰ ভাষাশৈলীৰ ব্যৱহাৰে তেওঁৰ গদ্যক যিদৰে নিটোল, সংযত আৰু বলিষ্ঠ ৰূপ প্ৰদান কৰিছে সেইদৰে প্ৰকাশভঙ্গীৰ মাধুৰ্যই ইয়াক উপন্যাস, গল্প আদিৰ সমগোত্ৰীয় আকৰ্ষণ প্ৰদান কৰিছে। শব্দ, বাক্য, অলঙ্কাৰ আদি সকলোবোৰ উপকৰণৰ ব্যৱহাৰেই কাকতিৰ গদ্যক স্বকীয় ৰূপ লাভ কৰাত সহায় কৰিছে।

- **শব্দচয়ন ঃ** বিষয়বস্তুৰ অনুকূলে যথাযোগ্য শব্দ ব্যৱহাৰ কাকতিৰ ভাষাৰীতিৰ এক বিশেষ বৈশিষ্ট্য। তেওঁৰ ৰচনাৰ শব্দসমূহে বিষয়বস্তুৰ সৈতে থকা লেখকৰ গভীৰ সম্পৰ্ক, স্পষ্ট ধাৰণা আৰু তাৰ প্ৰতি থকা আন্তৰিকতাৰ পৰিচয় দাঙি ধৰে। শ্ৰুতিমধুৰ শব্দৰ সাৱলীল প্ৰয়োগ কৰা কাকতিৰ ৰচনাত সংস্কৃত শব্দৰ প্ৰাচুৰ্য যথেষ্ট। অৱশ্যে ইয়াৰ বাবে তেওঁৰ গদ্য দুৰ্বোধ্য বা অস্বাভাৱিক হোৱা নাই। শব্দ ব্যৱহাৰৰ ক্ষেত্ৰত কাকতি ৰক্ষণশীল নহয়। সংস্কৃতৰ দৰেই তেওঁৰ গদ্যত ইংৰাজী শব্দবোৰ মুকলি ব্যৱহাৰ পৰিলক্ষিত হয়। বিষয়বস্তুৰ সাৰ্থক প্ৰকাশৰ বাবে য'তেই উপযুক্ত বুলি অনুভৱ কৰিছে তাতেই তেওঁ ইংৰাজী শব্দক ৰচনাত স্থান দিছে। তদুপৰি বহুক্ষেত্ৰত ইংৰাজীৰ লগে লগে অসমীয়া ৰূপবোৰো তেওঁ উল্লেখ কৰি গৈছে। ৰাজনৈতিক মতবাদৰ ফকৰা (slogar), জীৱনৰস (life pulsation), দাৰ্শনিক প্ৰেমবাদ (platonic) আদি শব্দবোৰে অন্তৰ্নিহিত বিষয় উপলব্ধিত পাঠকক সহায় কৰিছে। ইয়াৰ উপৰি নবাবিৰ্ভূত, স্নেহাভিষিক্ত, ঈশ্বৰভিমুখী আদি সন্ধিযুক্ত শব্দৰ প্ৰাচুৰ্য তেওঁৰ গদ্যৰ শব্দচয়নৰ অন্যতম বৈশিষ্ট্য। কাকতিৰ ৰচনাত অসমীয়া জতুৱা আৰু ঘৰুৱা শব্দৰ প্ৰাধান্য বিশেষ নাই। প্ৰধানকৈ

তদ্ভৱ শব্দৰেই তেওঁৰ শব্দ সম্ভাৰৰ মূল অবয়বটো নিৰ্মিত হৈছে। আনহাতে, অভীস্পিত উদ্দেশ্য পূৰণ কৰিবলৈ তেওঁ বহু সময়ত কেইবাটাও শব্দ সংযোগ কৰি দীঘলীয়াকৈ ব্যৱহাৰ কৰা দেখা যায়। 'বিশ্বকৰুণা-মণ্ডিত, দৈন্য-কৰুণা-বিগলিত', 'শঙ্কৰ-স্মৃতি-মণ্ডিত' আদি ৰূপবোৰ ইয়াৰ উদাহৰণ। অৱশ্যে তেওঁৰ সামগ্ৰিক ৰচনাসম্ভাৰ যিদৰে বিচিত্ৰ নহয়, ৰচনাৰীতি যিদৰে বহুভঙ্গীমুক্ত বহুৰূপী নহয়, সেইদৰে শব্দ সম্ভাৰো বৈচিত্ৰ্যপূৰ্ণ নহয়। গুৰু-গম্ভীৰ বিষয়বস্তু কম পৰিসৰত শব্দৰ মিতব্যয়ী ব্যৱহাৰেৰে তুলি ধৰাটোৱেই তেওঁৰ শব্দচয়নৰ প্ৰধান বৈশিষ্ট্য।

- **বাক্যগঠন ঃ** চিন্তাশীল প্ৰবন্ধলেখক কাকতিৰ গদ্যত সৰল-জটিল, চুটি-দীঘল আদি বিবিধ ভঙ্গীৰ বাক্যৰ সমাহাৰ ঘটিছে যদিও তেওঁৰ বাক্যৰীতি প্ৰধানকৈ অসমীয়া ভাষাৰ জতুৱা ঠাঁচযুক্ত বুলি ক'ব নোৱাৰি। অৱশ্যে জতুৱা ঠাঁচৰ বাক্য যে একেবাৰেই নাই তেনে কথাও নহয়। সংস্কৃত আৰু ইংৰাজী বাক্যৰীতিৰ দ্বাৰা প্ৰভাৱিত কাকতিয়ে বিভিন্ন ভঙ্গীৰে বাক্য গঠন কৰি সেইবোৰক স্পষ্ট আৰু অতি প্ৰভাৱশালী ৰূপত থিয় কৰাবলৈ সক্ষম হৈছে। সৰল বৰ্ণনামূলক বাক্যৰ উপৰি প্ৰশ্নবোধক, ভাববোধক বাক্যক অৰ্থৱহ ৰূপত চাতুৰ্যপূৰ্ণভাৱে তেওঁ গদ্যত সন্নিৱেশ কৰা দেখা গৈছে। ইঙ্গিতপূৰ্ণ ৰূপত সাৰ্থকভাৱে প্ৰয়োগ কৰা এনে বাক্য তেওঁৰ গদ্যত যথেষ্ট পোৱা যায়। আনহাতে, বিষয়বস্তু বা ভাব অনুসৰি তেওঁ যথেষ্ট সংখ্যক সংস্কৃত বাক্যৰ লগতে ইংৰাজী বা সংস্কৃত বা পুৰণি সাহিত্যৰ উদ্ধৃতি আদি সন্নিৱিষ্ট কৰি বাক্য ব্যৱহাৰ কৰিছে। অৰ্থাৎ কাকতিৰ গদ্য চিন্তামূলক হ'লেও বিবিধ ৰীতিৰ বাক্যৰে ই সুসমৃদ্ধ আৰু এইসমূহে বিষয়বস্তুৰ স্পষ্ট প্ৰকাশৰ লগতে মনোধৰ্মী গদ্যৰ দৰে পাঠকৰ হৃদয়ত প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে।
- **অনুচ্ছেদ, লয়, অলঙ্কাৰ আদি ঃ** শব্দ আৰু বাক্য ব্যৱহাৰৰ দৰেই অনুচ্ছেদ ৰচনাতো বাণীকান্ত কাকতিৰ সংযমী মনৰ পৰিচয় পোৱা যায়। তেওঁৰ স্পষ্ট বিষয়জ্ঞান, গভীৰ চিন্তা আৰু সুদৃঢ় সিদ্ধান্তৰাজিয়ে সুন্দৰ আৰু সুসংবদ্ধ ৰূপত অনুচ্ছেদৰ জৰিয়তে প্ৰকাশ লাভ কৰা দেখা গৈছে। কাকতিৰ ৰচনাৰ প্ৰতিটো অনুচ্ছেদেই লেখকৰ ভাব-চিন্তাৰ একোটা অনন্য দিশ পাঠকৰ সন্মুখত উন্মোচিত কৰিবলৈ সক্ষম। অপ্ৰয়োজনীয় বৰ্ণনাবহুল অনুচ্ছেদ তেওঁৰ গদ্যত পোৱা নাযায়। অতি স্বাভাৱিক গতিৰে ভাবসঙ্গতি ৰক্ষা কৰি তেওঁৰ অনুচ্ছেদসমূহে পাঠকক বিষয়ৰ অভ্যন্তৰলৈ আগবঢ়াই লৈ যাব পাৰে।

  কাকতিৰ গদ্য যিহেতু মূলতঃ চিন্তাৰ ফচল সেয়েহে ইয়াত ব্যাপকভাৱে লয়যুক্ত ৰীতি প্ৰয়োগৰ সুবিধা কম। কিন্তু তথাপিও ঠায়ে ঠায়ে তেওঁৰ গদ্যত লয় আৰু কাব্যিক মাধুৰ্য অনুভূত হয়। এনে মাধুৰ্য শক্তিশালী হোৱা সত্বেও তেওঁৰ গদ্যক কোমল আৱেশ প্ৰদান কৰিছে। আনহাতে, অলঙ্কাৰ ব্যৱহাৰত কাকতিৰ দক্ষতা অতি চকুত লগা। অন্যান্য অলঙ্কাৰৰ লগতে বিশেষকৈ উপমা প্ৰয়োগৰ চাতুৰ্যই কাকতিৰ গদ্যক এক অনিৰ্বচনীয় মনোহাৰিত্ব প্ৰদান কৰিছে। সুন্দৰ আৰু সাৰ্থক উপমা আৰোপে গহীন সমালোচনামূলক

গদ্যক অতি প্ৰভাৱশালী আৰু আকৰ্ষণীয় ৰূপত পাঠকৰ সন্মুখত উপস্থাপন কৰিবলৈ সক্ষম হৈছে। কিন্তু কাকতিৰ গদ্যৰ অলঙ্কাৰ কেৱল বাহ্যিক চিক্‌মিকনিৰ বাবে নহয়, সি গোটেই ভাবটোকেই সুন্দৰ ৰূপত তুলি ধৰিব পৰাকৈ সমগ্ৰ ভাষাৰ সৈতে একাত্ম হৈ পৰিছে। কাকতিৰ ভাষাৰীতিৰ মাধ্যমেৰে এক মধুৰ আলঙ্কাৰিক ৰীতিৰ বিকাশ ঘটিছে।

- **প্ৰকাশভঙ্গী ঃ** বাণীকান্ত কাকতিৰ ৰচনাৰ ৰূপ যিহেতু বৈচিত্ৰ্যপূৰ্ণ নহয়, সেয়েহে ইয়াত বিচিত্ৰ প্ৰকাশভঙ্গীৰ চাতুৰ্য সৃষ্টিৰো অৱকাশ নাই। কিন্তু তথাপিও স্থানবিশেষে সংযত-পৰিমিত, স্থান বিশেষে যুক্তিনিষ্ঠ, ব্যঙ্গাত্মক, জ্ঞানব্যাপক আদি গদ্য-ব্যৱহাৰ কৰা কাকতিৰ প্ৰকাশভঙ্গীৰ মাজত মাধুৰ্য আৰু মহত্ব যথেষ্ট। সকলো ধৰণৰ বাহুল্য বৰ্জন কৰি বিষয়বস্তুৰ স্পষ্ট, সহজবোধ্য ৰসব্যঞ্জক উপস্থাপনৰ ক্ষেত্ৰত কাকতিৰ প্ৰকাশভঙ্গী প্ৰায় ক্ষেত্ৰতেই সফল আৰু যথোপযোগী। ঠায়ে ঠায়ে কাব্যিক ৰূপ লাভ কৰা কাকতিৰ গদ্য সবল আৰু সমৃদ্ধিশালী হোৱাৰ অন্যতম সহায়ক হ'ল তেওঁৰ প্ৰকাশভঙ্গী। অসমীয়া সাহিত্যত ৰসোতীৰ্ণ উপন্যাসোপম প্ৰবন্ধ গদ্য নিৰ্মাণৰ ক্ষেত্ৰত কাকতিয়ে এক নতুন পথৰ সূচনা কৰি থৈ গ'ল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ বাণীকান্ত কাকতিৰ গদ্যৰীতিৰ বৈশিষ্ট্যসমূহ কি কি? (১৫০টা শব্দৰ ভিতৰত)



চিন্তা-চৰ্চা কৰক - ৯.১

সাহিত্য আৰু প্ৰেমৰ আধাৰত সাহিত্য সমালোচক বাণীকান্ত কাকতিৰ মননশীলতা বিচাৰ কৰক।



৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নে আপোনাক সাহিত্য সমালোচক বাণীকান্ত কাকতিৰ লগত পৰিচয় কৰাই দিলে।
- এই গৰাকী কৃতবিদ্য পুৰুষৰ জীৱন আৰু কৰ্মৰাজিৰ পৰিচয়ে আপোনাক ব্যক্তি হিচাপে বাণীকান্ত কাকতিৰ আলোচনা আগবঢ়াবলৈ সহায় কৰিব।
- অসমীয়া গদ্যশৈলীৰ বিকাশৰ প্ৰধান মাধ্যম হ'ল প্ৰবন্ধ। লেখকৰ অসমীয়া গদ্যকাৰ লম্বোদৰ বৰা আৰু সত্যনাথ বৰা আদিৰ পদাঙ্ক অনুসৰণ কৰি অসমীয়া গদ্য সাহিত্যৰ বিকাশ আৰু উন্নতিত যিসকল সাহিত্যপ্ৰাণ ব্যক্তিয়ে উদ্যোগ লৈছিল, তাৰ ভিতৰত

বাণীকান্ত কাকতি অন্যতম। তেওঁ ভাৰতীয় সাহিত্যক সমৃদ্ধ কৰিব পৰা বহুকেইখন গ্ৰন্থ ৰচনা কৰি থৈ গৈছে। কাকতিৰ সকলোবোৰ ৰচনাই গভীৰ চিন্তাপ্ৰসূত, প্ৰণালীবদ্ধ আৰু সঙ্গত। বিষয়বস্তু সম্পৰ্কে লেখাবোৰত ইয়াৰ প্ৰকাশ সাৱলীল।

- কাকতিৰ সমালোচনাৰ অন্যতম প্ৰধান গুণ হ'ল যুক্তিপূৰ্ণ বিশ্লেষণ। সাহিত্যৰ কোনো কথা 'ভাল' বা 'বেয়া' বুলি কোৱাতেই সীমাবদ্ধ হৈ থাকিলে সি প্ৰকৃত সমালোচনা নহয়। কাকতিয়ে আন বিষয়ৰ সৈতে তুলনা কৰি সকলো কথাকে যুক্তিৰে প্ৰতিষ্ঠা কৰিছে, কেৱল উকা মন্তব্যৰে নহয়। কাকতিৰ বিজ্ঞানসন্মত মন আৰু দৃষ্টিয়ে তেওঁক এই ক্ষেত্ৰত বিশেষভাৱে প্ৰেৰণা যোগাইছে।
- এই পাঠৰ আলোচনাত বাণীকান্ত কাকতিৰ অন্যতম সমালোচনা কৃতি *সাহিত্য আৰু প্ৰেমৰ* বৰ্ণাঢ্য বিষয়বস্তুৰ চমু আভাস আগবঢ়োৱা হৈছে। সেই আলোচনাভাগে সমালোচক বাণীকান্ত কাকতিৰ সূক্ষ্ম বিশ্লেষণাত্মক দৃষ্টিভঙ্গীৰ পৰিচয় দাঙি ধৰিছে।
- প্ৰেমক কেৱল এটা সংজ্ঞাৰ মাজত আবদ্ধ কৰিব নোৱাৰি। ব্যক্তিৰ অনুভৱ-উপলব্ধিৰ মাত্ৰা ভিন্ন। সেই ফালৰ পৰা বিচাৰ কৰিলে কবি-সাহিত্যিকসকলেও নিজৰ সূক্ষ্ম অনুভূতিৰে প্ৰেমৰ মহৎ ৰূপ উপলব্ধি কৰে। ভাৰতীয় সাহিত্যৰ চণ্ডীদাস আৰু ইউৰোপীয় সাহিত্যৰ ডাণ্টেয়ে প্ৰেমক যি ভাৱে উপলব্ধি কৰিছিল সেয়া অনন্য। সমালোচক বাণীকান্ত কাকতিয়ে এই দুগৰাকী কৃতবিদ্য সাহিত্যিকৰ জীৱনত প্ৰেমে কেনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল তাৰ মনোজ্ঞ লেখ আগবঢ়াইছে।
- সূক্ষ্মদৰ্শী সমালোচক বাণীকান্ত কাকতিৰ গদ্যৰীতিও বৈশিষ্ট্যপূৰ্ণ। তেওঁৰ বিশিষ্ট গদ্যৰীতিত চয়ন কৰা শব্দাৱলী, প্ৰবন্ধৰ স্বৰূপ অনুসৰি প্ৰয়োগ কৰা চুটি-দীঘল, জটিল-অজটিল বাক্যৰীতিয়ে পাঠকৰ মন সেই ৰচনাত নিবিষ্ট কৰি ৰাখে। মুঠতে কম পৰিসৰতে এই অধ্যায়ৰ আলোচনাৰ মাজেদি কৃতি সাহিত্য সমালোচক বাণীকান্ত কাকতিৰ প্ৰতিভাৰ লেখ আগবঢ়োৱা হ'ল।



৯.৮ অধিক জানিবলৈ

১) গোস্বামী, মালিনী (১৯৯৫); *অধ্যাপক বাণীকান্ত কাকতি;* যোৰহাট ঃ অসম সাহিত্য সভা।

২) ঠাকুৰীয়া, অপূৰ্ব (১৯৯৫) (অনূদিত); *সুকুমাৰ সেনৰ চন্দী দাস;* দিল্লী ঃ সাহিত্য অকাডেমী।

৩) নেওগ, মহেশ্বৰ (সম্পাঃ) (১৯৯১); *বাণীকান্ত ৰচনাৱলী;* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

৪) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৫) ভৰালী, শৈলেন (সম্পাঃ) (১৯৯৫); *বাণীকান্ত কাকতি;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

৬) ভৰালী, শৈলেন (২০০৯); *বাণীকান্ত কাকতিৰ পৰা ভবেন বৰুৱালৈ;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৭) ভূঞা, স্মৃতিৰেখা (২০০৭); *অসমীয়া গদ্যৰীতি;* গুৱাহাটী ঃ বৃষ্টি প্ৰকাশন ।

৮) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৯.৯ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ বাণীকান্ত কাকতিৰ জন্ম... ...তেওঁৰ পিতৃ-মাতৃৰ পৰিচয়... ...প্ৰাৰম্ভিক শিক্ষা জীৱন... ...তেওঁৰ উচ্চ শিক্ষা লাভ... ...মেধা আৰু বিচক্ষণতাৰ বাবে লাভ কৰা সন্মান আৰু স্বীকৃতি... ...তেওঁৰ কৰ্মজীৱন... ...অমিত প্ৰতিভাশালী সাহিত্য সমালোচক আৰু গহীন প্ৰবন্ধৰ লেখক হিচাপে বাণীকান্ত কাকতিৰ সাহিত্য কৃতিৰ লেখা।

২নং প্ৰশ্নৰ উত্তৰ ঃ সাহিত্য সমালোচক বাণীকান্ত কাকতিৰ চমু পৰিচয়... ...তেওঁৰ সাহিত্য সমালোচনাত প্ৰত্যক্ষ কৰিবলৈ পোৱা বৈশিষ্ট্যসমূহ, যেনে— নিৰপেক্ষতা... ...বিষয়বস্তুৰ তুলনামূলক বিশ্লেষণ... ...বিষয়বস্তুৰ যুক্তিপূৰ্ণ বিশ্লেষণ... ...বিষয়বস্তুৰ সুসংবদ্ধ উপস্থাপন... ...বিষয়বস্তুত ৰস আৰু সৌন্দৰ্যৰ সমাবেশ, ইত্যাদি দিশসমূহৰ চমু উল্লেখ।

৩নং প্ৰশ্নৰ উত্তৰ ঃ মহান কবি ডাণ্টেৰ চমু পৰিচয়... ...বিয়েট্ৰীছৰ প্ৰতি তেওঁৰ মনত জাগ্ৰত হোৱা প্ৰণয় ভাব... ...কিন্তু সেই প্ৰেম ঐহিক কামনা-বাসনাৰে সিক্ত নাছিল, তাত আছিল এক ঐশ্বৰিক সমপৰ্ণৰ ভাব, প্ৰেম তেওঁৰ বাবে আছিল এক স্বৰ্গীয় প্ৰেৰণাৰ উৎস— যি প্ৰেম বিয়েট্ৰীছৰ মৃত্যুৰ পাছতো চিৰ নতুন চিৰ প্ৰেৰণাদায়িনী হৈ আছিল।

৪নং প্ৰশ্নৰ উত্তৰ ঃ বাণীকান্ত কাকতিৰ গদ্যৰ চমু পৰিচয়... ...তেওঁৰ গদ্যৰ বিশিষ্ট দিশসমূহৰ চমু পৰিচয়।



৯.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ব্যক্তি আৰু সফল সাহিত্য স্ৰষ্টা হিচাপে বাণীকান্ত কাকতিক মূল্যায়ন কৰক।

প্ৰশ্ন ২ ঃ সাহিত্য-সমালোচক হিচাপে বাণীকান্ত কাকতিৰ উল্লেখযোগ্য কৃতিসমূহ মূল্যায়ন কৰক।

প্ৰশ্ন ৩ ঃ বাণীকান্ত কাকতিৰ অনবদ্য গদ্যৰীতি সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৪ ঃ *সাহিত্য আৰু প্ৰেম*ত সন্নিৱিষ্ট হোৱা বিষয়কেইটাৰ আধাৰত বাণীকান্ত কাকতিৰ সাহিত্য সমালোচনাৰ বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰক।

প্ৰশ্ন ৫ ঃ 'কবিৰ মনত প্ৰেম আৰু বিশ্বশক্তি অভিন্ন'— কথাষাৰৰ তাৎপৰ্য 'কবিৰ অহৈতুকী প্ৰীতি' শীৰ্ষক পাঠটিৰ আধাৰত আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ চণ্ডীদাস আৰু ডাণ্টেৰ প্ৰেমৰ সাদৃশ্য কি? দুয়োজনৰে প্ৰেমৰ স্বৰূপ সম্বন্ধে এটি তুলনাত্মক বিশ্লেষণ আগবঢ়াওক।

প্ৰশ্ন ৭ ঃ 'ডাণ্টেৰ কঠোৰ দৈনন্দিন জীৱনৰ ভিতৰেদি বিয়েট্ৰীছ-প্ৰেম তেওঁৰ ন বছৰ বয়সৰ পৰা আৰম্ভ কৰি ১৩২১ খ্ৰীষ্টীয় শকত তেওঁৰ মৰণলৈকে ৪৭ বছৰ কাল পাতালী গঙ্গাৰ দৰে সঞ্জীৱনী শক্তিৰূপে বৈ আছিল'— কথাষাৰৰ যুক্তিযুক্ততা ডাণ্টে-বিয়েট্ৰীছৰ প্ৰেম কাহিনীটোৰ আধাৰত বিচাৰ কৰক।

প্ৰশ্ন ৮ ঃ 'প্ৰেমৰ পোৰণি শক্তিৰ প্ৰভাৱতো একে তেজ-মঙহৰ শৰীৰৰ মানুহৰ মনত বেলেগ প্ৰতিক্ৰিয়া ঘটে। কেতবোৰৰ পক্ষে মনৰ চটফটনি আৰু কেতবোৰ দুৰ্লভ প্ৰকৃতিৰ মানুহৰ পক্ষে ই উদ্বোধনী প্ৰজ্ঞান বন্তি'— কথাষাৰৰ তাৎপৰ্য বিশ্লেষণ কৰি সাহিত্য আৰু প্ৰেমৰ সম্পৰ্ক সম্বন্ধে এটি আলোচনা আগবঢ়াওক।

*** ***** ***